**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2025
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আজি লাচিত দিৱস। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকনক সুঁৱৰি প্ৰতিবছৰে ২৪ নৱেম্বৰত তেওঁৰ জয়ন্তী লাচিত দিৱস হিচাপে পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীলৈ ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে 'বীৰ লাচিত দিৱস' পালন কৰা হয়। যোৰহাট জিলাৰ হোলোঙাপাৰৰ লাচিত মৈদামত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই বীৰ পুৰুষ লাচিত বৰফুকনৰ নেতৃত্ব আৰু শৌৰ্যই অসমৰ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰাখিছিল বুলি মন্তব্য কৰে।

অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীও আজিৰ অনুষ্ঠানত উপস্থিত থাকে।

গুৱাহাটী মহানগৰীৰ লাচিত ঘাটত লাচিত সেনাৰ উদ্যোগত আজি লাচিত দিৱস উদযাপন কৰা হয়। শৰাইঘাটৰ যুদ্ধৰ স্মৃতি সুঁৱৰি লাচিতঘাটৰ পৰা আগিয়াঠুৰিলৈ এটা নৌকাযাত্ৰা উলিওৱা হয়। আগিয়াঠুৰিত বন্তি প্ৰজ্বলনেৰে জাতীয় বীৰজনক শ্ৰদ্ধাঞ্জলি যঁচা হয়।

ধেমাজি, জামুগুৰিহাট আৰু শিৱসাগৰতো লাচিত দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিৱসাগৰত এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। শোণিতপুৰ জিলাৰ জামুগুৰিহাটত লাচিত দিৱস উপলক্ষে ৯০ ফুট দৈৰ্ঘ্যৰ এখন প্ৰতীকি নাৱৰে শোভাযাত্ৰা উলিওৱা হয়। ধেমাজিতো টাই-আহোম ছাত্ৰৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচীৰে বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তী উদযাপন কৰা হয়।

০০০০

ভাৰতীয় চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰৰ আজি মুম্বাইত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীক ১২ দিন পূৰ্বে চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছিল। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৮৯ বছৰ। ১৯৩৫ চনৰ ৮ ডিচেম্বৰত লুধিয়ানাত জন্মগ্ৰহণ কৰা ধৰ্মেন্দ্ৰ কৃষাণ দেউলেই পাছলৈ বলিউদত ধৰ্মেন্দ্ৰ হিচাপে উজলি উঠিছিল। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ সুদৰ্শন, সফল তাৰকা হিচাপে পৰিচিত আৰু বলিউদৰ হি মেন হিচাপে খ্যাত

ধৰ্মেন্দ্ৰই প্ৰায় ৬৫ বছৰীয়া অভিনয় জীৱনত কমেও ৩০০ খন চলচ্চিত্ৰত অভিনয় কৰে। ১৯৬০ চনত **দিলভি তেৰা হামভি তেৰে** শীৰ্ষক চলচ্চিত্ৰৰে হিন্দী চলচ্চিত্ৰ জগতত অভিষেক ঘটা ধৰ্মেন্দ্ৰই পৰৱৰ্তী চলচ্চিত্ৰ **আয়ে মিলন কি বেলা, ফুল অৰ পাথ্থৰ, আয়ে দিন বাহাৰ কে** আদিৰ জৰিয়তে অনুৰাগীসকলৰ বিপুল প্ৰশংসা লাভ কৰে। ষষ্ঠ আৰু অষ্টম দশকত কেইবাখনো চলচ্চিত্ৰত অভিনয়ৰে দৰ্শকক মোহাচন্ন কৰা অভিনেতাগৰাকীয়ে নৰম দশকৰ পৰা চৰিত্ৰ অভিনয় কৰিবলৈ আৰম্ভ কৰে। সৰ্বকালৰ জনপ্ৰিয় **শ্বোলে** ছবিত বিৰুৰ চৰিত্ৰত কৰা অভিনয়েৰে তেওঁ বিশেষ খ্যাতি আৰু জনপ্ৰিয়তা অৰ্জন কৰে।

২০১২ চনত পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰই চলচিত্ৰত কৰা অভিনয়ৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। ৰাজস্থানৰ বিকানেৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰি ভাৰতীয় জনতা পাৰ্টিৰ পৰা ২০০৪ চনত তেওঁ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ধৰ্মেন্দ্ৰৰ বিয়োগত দেশৰ অগনন অনুৰাগীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অভিনেতা তথা প্ৰাক্তন সাংসদগৰাকীৰ  বিয়োগত শোক প্ৰকাশ কৰি দিয়া বাৰ্তাত কয়, যে তেওঁৰ বিয়োগ ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে অপূৰণীয় ক্ষতি। নিজৰ অনবদ্য অভিনয়েৰে তেওঁ অগণন অনুৰাগী আৰু উদীয়মান শিল্পীক অনুপ্ৰাণিত কৰি গৈছে  বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধৰ্মেন্দ্ৰৰ বিয়োগে ভাৰতীয় চলচ্চিত্ৰৰ এটা যুগৰ সমাপ্তি ঘটাইছে বুলি মন্তব্য কৰে। এগৰাকী অভিনেতা, সাংসদ আৰু সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হিচাপে তেওঁক জনসাধাৰণে সদায় মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

০০০০

কাইলৈৰ পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন আৰম্ভ হ'ব। এইবাৰৰ অধিৱেশনত ১০ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কাইলৈ বিগত অধিৱেশনৰ পাছত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

০০০০

সমাপ্ত